# REGIONAL NEWS UNIT
## AKASHVANI : GUWAHATI
0000000000

**Date :** 27-03-2025
**Time :** 18-00 Hrs

***Assamese EVENING Bulletin***

**::::::::::::::::::::::::::::::::**

অসম চৰকাৰে ৰাজ্যখনত স্বাস্থ্য আৰু শিক্ষা বিভাগৰ নিৰ্মাণৰ কামসমূহ অধিক পাৰদৰ্শিতাৰে চোৱাচিতা কৰাৰ বাবে ৰাজ্যিক লোকনিৰ্মাণ বিভাগৰ গৃহ শাখাৰ পৰা স্বাস্থ্য আৰু শিক্ষা বিভাগৰ নিৰ্মাণকাৰ্য পৃথক কৰাৰ সিদ্ধান্ত লৈছে। আজি আবেলি দিশপুৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই সিদ্ধান্তসমূহৰ বিষয়ে সদৰি কৰে। আজিৰ বৈঠকত পঞ্চায়তসমূহৰ ৰাজহ সংগ্ৰহ ব্যৱস্থা শৃংখলিত কৰাৰ বাবে পঞ্চায়ত বিত্তীয় আইনৰ সংশোধনী ঘটোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। মন্ত্ৰীসভাই আজি কেন্দ্ৰীয় চৰকাৰে ধান আৰু সৰিয়হৰ ক্ষেত্ৰত নিৰ্দিষ্ট কৰা ন্যূনতম সমৰ্থন মূল্যতকৈ ৰাজ্যখনৰ কৃষকসকলক অতিৰিক্ত মূল্য প্ৰদানতো অনুমোদন জনায়। সেই অনুসৰি ধানৰ প্ৰতি কুইণ্টলত কেন্দ্ৰীয় চৰকাৰে নিৰ্দিষ্ট কৰা ২ হেজাৰ ৫৫০ টকাৰ অতিৰিক্ত হিচাপে অসমৰ কৃষকক ২৫০ টকা অধিক সমৰ্থন মূল্য লাভ কৰিব। সৰিয়হৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ সমৰ্থনমূল্য ৫ হাজাৰ ৫০০ টকাৰ উপৰি অতিৰিক্ত ৫০০ টকা অসমৰ কৃষকে লাভ কৰিব। দৰং জিলাত ৫৭২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া চিকিৎসা মহাবিদ্যালয়ৰ লগতে এখন বি এছ চি নাৰ্ছিং মহাবিদ্যালয় আৰু আন এখন জি এন এম নাৰ্ছিং স্কুল স্থাপনতো আজিৰ বৈঠকত অনুমোদন জনোৱা হয়।

জলবায়ু পৰিৱৰ্তন বিভাগটো এতিয়াৰে পৰা বন বিভাগৰ সৈতে সংলগ্ন কৰা আৰু ৰাজ্যখনৰ প্ৰতিটো উন্নয়ন খণ্ডতে এটাকৈ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপন কৰা, মাহিলী পোন্ধৰ হাজাৰ টকালৈকে উপাৰ্জন কৰা লোকৰ ক্ষেত্ৰত বৃত্তিগত কৰ ৰেহাই দিয়া আৰু কেচা চাহপাতৰ ওপৰত থকা সকলো কৰ প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ততো অসম মন্ত্ৰীসভাই আজি অনুমোদন জনায়।

০০০

চলিত বছৰৰ গুণোৎসৱৰ ফলাফলসমূহ আজি ঘোষণা কৰা হয়। এইবাৰৰ গুণোৎসৱত শিৱসাগৰ জিলাই প্ৰথম, গোলাঘাট জিলাই দ্বিতীয় আৰু ডিব্ৰুগড় জিলাই তৃতীয় স্থান লাভ কৰিছে। একেদৰে স্বচ্ছ আৰু সুচাৰুৰূপে গুণোৎসৱৰ কাৰ্যসূচী ৰূপায়ণ কৰাৰ ক্ষেত্ৰত গোলাঘাট জিলাই প্ৰথম, কামৰূপ মহানগৰে দ্বিতীয় আৰু যোৰহাট জিলাই তৃতীয় স্থান লাভ কৰিছে। এইবাৰ ১৩ হাজাৰ ৩০০ খন বিদ্যালয়ে এ প্লাছ গ্ৰেড আৰু ১৩ হাজাৰ ৯৯২ খন বিদ্যালয়ে এ গ্ৰেড লাভ কৰিছে। একেদৰে ১৪ লাখ ৬৪ হাজাৰ ৮০৮ গৰাকী শিক্ষাৰ্থীয়ে এ প্লাছ গ্ৰেড আৰু ১২ লাখ ছহেজাৰ ৪৪২ গৰাকী শিক্ষাৰ্থীয়ে এ গ্ৰেড লাভ কৰিছে।

এই উপলক্ষে আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই যোৱা বছৰৰ গুণোৎসৱত এ প্লাছ গ্ৰেড লাভ কৰা ১১ হাজাৰ ৫৯৪ খন বিদ্যালয়ক উৎকৃষ্টতাৰ স্বীকৃতি আৰু ২৫ হাজাৰ টকাকৈ উদ্গনিমূলক অনুদান আগবঢ়ায়। অনুষ্ঠানত আৰোহণ কাৰ্যসূচীৰ অধীনত ৪ হাজাৰ ৩২০ গৰাকী শিক্ষাৰ্থীক টেবলেট প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে

তেওঁৰ ভাষণত এইবাৰৰ গুণোৎসৱত ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক প্ৰদৰ্শন উন্নত কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত আলোকপাত কৰে।

উল্লেখযোগ্য যে ৰাজ্যৰ প্ৰতিগৰাকী শিক্ষাৰ্থীক গুণগত শিক্ষা দানৰ সংকল্পৰে চৰকাৰে ২০১৭ চনৰ পৰা অনুষ্ঠিত কৰি অহা গুণোৎসৱত এইবেলি ৪৪ হাজাৰ ৭৭ খন বিদ্যালয়ৰ ৩৮ লাখ ৯৮ হাজাৰৰো অধিক শিক্ষাৰ্থীৰ বিদ্যায়তনিক মূল্যায়ন কৰা হৈছে।

গুণোৎসৱৰ প্ৰদৰ্শনত শীৰ্ষ জিলা আৰু গুণগত মানৰ ঐক্যসাজ যোগানত শ্ৰেষ্ঠ জিলা হিচাপে বিবেচিত হোৱাৰ পাছত আজি শিৱসাগৰ জিলাৰ বিদ্যালয়সমূহত আনন্দমুখৰ পৰিবেশ বিৰাজ কৰিছে। জিলাখনৰ ৪৬৩ খন বিদ্যালয়ে এ প্লাছ গ্ৰেড আৰু ১৯২ খন বিদ্যালয়ে এ গ্ৰেড লাভ কৰিছে। জিলাখনৰ এই সাফল্য সন্দৰ্ভত শিৱসাগৰ লক্ষ্মীনাথ  বেজবৰুৱা শিশু ভৱনত প্ৰধান শিক্ষক ৰনজিৎ চুতিয়াই এনেদৰে কয় ঃ

এইবাৰৰ গুণোৎসৱত ধেমাজি জিলাৰ ৪১৬ খন বিদ্যালয়ে এ প্লাছ গ্ৰেড আৰু ৩৫৬ খন বিদ্যালয়ে এ গ্ৰেড লাভ কৰিছে। জিলাখনত এইবাৰ এহেজাৰ ৪৫৫ খন বিদ্যালয়ৰ ৯১ হাজাৰ ৩৪৭ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বিদ্যায়তনিক মূল্যায়ন কৰা হৈছিল।

000

আয়ৰ সৈতে সামঞ্জস্যহীন সম্পত্তি অৰ্জনৰ গোচৰত গ্ৰেপ্তাৰ হোৱা ডিফু চিকিৎসা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ডাঃ মৃদুপৱন নাথৰ জামিন আজি গুৱাহাটীৰ বিশেষ ন্যায়াধীশৰ আদালতে নাকচ কৰে। ইয়াৰ ফলত অভিযুক্ত ডাঃ নাথ কাৰাগাৰৰ পৰা মুকলি হোৱা পথ ৰুদ্ধ হৈছে। উল্লেখযোগ্য যে, চৰকাৰী চাকৰিৰ লগতে গুৱাহাটীত নাৰ্চিং হোম চলাই থকা ডাঃ নাথে আয়তকৈ অধিক সা-সম্পত্তি অৰ্জন কৰা বুলি মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে তথ্য লাভ কৰিছিল। এই তথ্য প্ৰমাণৰ ভিত্তিত তদাৰকী কোষে ডাঃ নাথৰ বিৰুদ্ধে গোচৰ ৰুজু কৰে। এই গোচৰতে আজি বিশেষ ন্যায়াধীশৰ আদালতে তেওঁৰ অগ্ৰীম জামিন নাকচ কৰে। মুখ্যমন্ত্ৰী তদাৰকী কোষে ডাঃ নাথৰ বিৰুদ্ধে ভুৱা মৰণোত্তৰ প্ৰতিবেদন দাখিল কৰাৰো তথ্য লাভ কৰিছে।

000

জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ উদ্যোগত অসম জনজাতি আৰু অনুসূচিত জাতি গৱেষণা প্ৰতিষ্ঠানে আজিৰ পৰা ২৯ মাৰ্চলৈ গুৱাহাটীৰ নেডফী অভিৱৰ্তন কেন্দ্ৰত আয়োজন কৰা ৰাষ্ট্ৰীয় জনজাতি চলচ্চিত্ৰ আৰু সাহিত্য মহোৎসৱ আজি ভৈয়াম আৰু জনজাতীয় পৰিক্ৰমা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে উদ্বোধন কৰে। ধৰ্তি আৱা ভগৱান বীৰচা মুণ্ডাৰ ১৫০ সংখ্যক জয়ন্তীৰ সৈতে সংগতি ৰাখি এই মহোৎসৱৰ আয়োজন কৰা হৈছে।

সাহিত্য মহোৎসৱত পদ্মশ্ৰী সন্মানেৰে বিভূষিত অনিল বড়ো আৰু পেট্ৰিচিয়া মুখিমকে ধৰি ভালেসংখ্যক বিশিষ্ট সাহিত্যিকে অংশগ্ৰহণ কৰিব। এই মহোৎসৱত চলচ্চিত্ৰ আৰু সাহিত্যৰ জৰিয়তে জনজাতি সম্প্ৰদায়সমূহৰ বৰ্ণাঢ্য সাংস্কৃতিক ঐতিহ্যক উদযাপন কৰা হ'ব। এই মহোৎসৱে নাগৰিকসকলক জনজাতীয় সমাজৰ চহকী ঐতিহ্য আৰু কলা সংস্কৃতিৰ সৈতে পৰিচয় কৰাই দিয়াত বিশেষ ভূমিকা পালন কৰিব বুলি ডাঃ পেগুৱে আশা প্ৰকাশ কৰে।

000

সমাপ্ত